PG AS S4-01 (DSC)

দুবছৰীয়া স্নাতকোত্তৰ পাঠ্যক্ৰম

(চি.বি.চি.এচ., এন. ই. পি. ২০২০ অনুসৰি)

চতুৰ্থ ষাণ্মাসিক

অসমীয়া চুটিগল্প

অসমীয়া



পদ্মনাথ গোহাঞিবৰুৱা মানৱিকী বিদ্যা অধ্যয়ন সত্ৰ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° দীপ্তি ফুকন পাটগিৰি, প্ৰাধ্যাপক, (অৱসৰপ্ৰাপ্ত) অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড° উপেন ৰাভা হাকাচাম, প্ৰাধ্যাপক, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড° বিমল মজুমদাৰ, প্ৰাধ্যাপক, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

পাঠ্যক্ৰমৰ সমন্বয়ৰক্ষী ঃ ড° নিভা ৰাণী ফুকন, সহযোগী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

পাঠ্যবিষয়ৰ সমন্বয়ৰক্ষী ঃ ড° প্ৰাণজিৎ বৰা, প্ৰাধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
ড° সঞ্জীৱ বৰা, সহকাৰী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্ৰস্তুতি গোটৰ সদস্য

অধ্যায়	*অৰিহণা যোগাইছে*
১	ড° দীপক জ্যোতি মহন্ত, গোৱেশ্বৰ মহাবিদ্যালয়, বাক্সা
২, ৩ আৰু ৪	ড° ৰুণমণি বৰা ফুকন, চন্দ্রপুৰ মহাবিদ্যালয়, চন্দ্রপুৰ
৫	ড° বসন্ত কুমাৰ ভট্টাচার্য্য, নলবাৰী মহাবিদ্যালয়, নলবাৰী
৬	অজিত কলিতা, পূব কামৰূপ মহাবিদ্যালয়, বাইহাটা চাৰিআলি
৭	ড° নিভা ৰাণী ফুকন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
৮	ড° নয়নমণি বৰুৱা, পূব কামৰূপ মহাবিদ্যালয়, বাইহাটা চাৰিআলি
৯	অজিত কলিতা, পূব কামৰূপ মহাবিদ্যালয়, বাইহাটা চাৰিআলি
১০	ড° লীনা ডেকা, মহেন্দ্র নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়, নলবাৰী
১১	ড° জয়শ্রী কলিতা, বিকালী মহাবিদ্যালয়, ধূপধাৰা
১২	ড° মনালিচা বৰা, এছ. বি. এম. এছ. মহাবিদ্যালয়, শুৰালকুছি
১৩	ড° পৰাগ কুমাৰ ভট্টাচার্য্য, বি. পি. চলিহা মহাবিদ্যালয়, নগৰবেৰা
১৪	ড° উৎপলা দাস, বি. বৰুৱা মহাবিদ্যালয়, গুৱাহাটী

সম্পাদনা ঃ

বিষয়বস্তু আৰু ভাষা সম্পাদনা ঃ ড° নিভা ৰাণী ফুকন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
(অধ্যায় ১, ২, ৩, ৪, ৫, ৬, ৭, ৮, ৯, ১০, ১১, ১২, ১৩ আৰু ১৪)

গাঁথনিক সম্পাদনা ঃ ড° নিভা ৰাণী ফুকন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্ৰথম প্ৰকাশ ঃ মে', ২০২৫

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State University is made available under a Creative Commons Attribution-Non Commercial-ShareAlike4.0 License (International): http.//creativecommons.org/licenses/by-nc-sa/4.0.

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্ৰকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী-৭৮১ ০১৭
নগৰ কার্যালয় ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী-৭৮১ ০২২; Web : www.kkhsou.ac.in

পাঠ্যবিষয়ৰ পৰিচয় ঃ অসমীয়া চুটিগল্প

এইখন স্নাতকোত্তৰ অসমীয়া পাঠ্যক্ৰমৰ চতুৰ্থ ষাণ্মাসিকৰ প্ৰথম বুনিয়াদী পাঠ্যবিষয়। এই পাঠ্যবিষয়ৰ শিৰোনাম 'অসমীয়া চুটিগল্প'। পাঠ্যবিষয়ৰ শিৰোনামটোৱেই এই পাঠ্যবিষয়ত কি কি অন্তৰ্ভুক্ত কৰা হৈছে তাৰ আভাস দিয়ে। অসমীয়া চুটিগল্প বিষয়ক আলোচনা সমৃদ্ধ এই বিশেষ পাঠ্যবিষয়ে নিশ্চিতভাৱে অসমীয়া চুটিগল্পৰ ক্ষেত্ৰখনৰ ধাৰাবাহিক ক্ৰমবিকাশ আৰু সাহিত্য আলোচনীৰ বিশেষ যুগ ৰূপে চিহ্নিত হোৱা সময়ৰ প্ৰতিনিধিত্বমূলক গল্পকাৰৰ গল্পৰ মাজেদি সেই সেই নিৰ্দিষ্ট যুগৰ লগতে গল্পকাৰ গৰাকীৰ সৃষ্টিশীলতা, সামাজিক দৃষ্টিভঙ্গী আৰু জীৱনদৰ্শনৰ লগত পৰিচিত হোৱাৰ সুযোগ লাভ কৰিব।

পাঠ্যবিষয়ৰ প্ৰথম অধ্যায় 'জোনাকী যুগৰ চুটিগল্পৰ ধাৰা'ত জোনাকী যুগৰ বিশিষ্ট গল্পকাৰসকলৰ গল্পৰ আলোচনাৰ মাধ্যমেদি অসমীয়া সাহিত্যৰ এই বিশেষ ক্ষেত্ৰখনলৈ আধুনিকতাৰ বাই কঢ়িয়াই অনা পাশ্চাত্য জগতৰ ধ্যান-ধাৰণা আৰু জীৱনবোধে নকৈ পাশ্চাত্য শিক্ষাৰে শিক্ষিত বিদ্যুৎসাহী অসমীয়া ডেকাসকলক স্বয়ংলব্ধ জ্ঞান-উপলব্ধিৰে কি দৰে সাহিত্য কলাৰ এই বিশিষ্ট শাখাটোৰ চৰ্চাত মনোনিবেশ কৰিব পাৰি তাৰ সময়োপযোগী পাঠ আগবাঢ়িছিল। সেইবাবে চুটিগল্পৰ এই প্ৰথম অধ্যায়টো তাৰ সমগোত্ৰীয় পৰৱৰ্তী দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ অধ্যায়ত কৰা আলোচনাতকৈ গাঁথনিগত দিশত কিছু পৃথকভাৱে সজোৱা হৈছে। ইয়াৰ পিছৰ ক্ৰমে 'আৱাহন যুগৰ চুটিগল্পৰ ধাৰা', 'ৰামধেনু যুগৰ চুটিগল্পৰ ধাৰা' আৰু উত্তৰ ৰামধেনু যুগৰ চুটিগল্পৰ ধাৰা'ৰ মাজেদি উল্লিখিত যুগসমূহৰ অসমীয়া চুটিগল্পইনো কেনে ধৰণৰ গতি-প্ৰকৃতি লাভ কৰিছিল তাৰ লেখ আছে। পঞ্চম অধ্যায়ত লক্ষ্মীনাথ বেজবৰুৱাৰ 'মুক্তি' গল্পটোৰ আলোচনা পঢ়িবলৈ পাব। গল্পটোৰ নায়ক সুকুমাৰ কটকটীয়া নিয়ম-শৃঙ্খলাৰ বিপৰীতে মুকলিমূৰীয়াভাৱে থাকি ভাল পোৱা কিশোৰ। অথচ তাৰ অভিভাৱকে তাৰ মানসিকতাক বুজি সেই অনুৰূপে তাৰ চঞ্চল মনটো বান্ধিবলৈ চেষ্টা নকৰি অধিক কঠোৰ স্থিতি গ্ৰহণ কৰাত হিতে বিপৰীত হ'ল। গল্পটোৰ কাহিনী ভাগৰ যোগেদি বেজবৰুৱাই এটা গুৰুত্বপূৰ্ণ সমস্যা দাঙি ধৰিছে। ষষ্ঠ অধ্যায়ত শৰৎ চন্দ্ৰ গোস্বামীৰ গল্প 'ঘুনুচা'ৰ মাজেদি সামাজিক আৰু ধৰ্মীয় ৰক্ষণশীলতাই বিধ্বস্থ কৰা এগৰাকী অসহায় বিধৱাৰ কৰুণ জীৱন গাঁথা চিত্ৰিত হৈছে। জনজাতীয় জীৱনৰ সমাজ-সংস্কৃতিক চিন্তাৰ প্ৰতিফলন ঘটিছে নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ 'টুনী' গল্পটোৰ মাজেদি। এইটো পাঠ্যবিষয়ৰ সপ্তম অধ্যায়।

পাঠ্যবিষয়ৰ অষ্টম অধ্যায়ত লক্ষ্মীনাথ ফুকনৰ এটা সৰল গল্প 'মহিমাময়ী'ৰ আলোচনা আগবঢ়োৱা হৈছে। কেন্দ্ৰীয় চৰিত্ৰ মহিমাময়ী এনে এটা কৃপণ চৰিত্ৰ যিয়ে ব্যৱহাৰিক জীৱনৰ প্ৰতিটো খোজতে আয়-ব্যয়, লাভ-লোকচানৰ হিচাপ কৰে। ইয়াৰ পৰৱৰ্তী অধ্যায়ত সন্নিৱিষ্ট গল্প 'অবুজ মায়া'ৰ লেখক ৰমা দাশ। ইয়াত ৰক্ষণশীল গ্ৰাম্য সমাজত এগৰাকী পৰিত্যক্তা, সমাজৰ পৰা বহিষ্কৃত যুৱতী নাৰীৰ যি গোপন মনোবেদনা তাৰ মৰ্মস্পৰ্শী প্ৰকাশ ঘটিছে। দশম অধ্যায় ভবেন্দ্ৰনাথ শইকীয়াৰ 'সেন্দূৰ'। ললিতাৰ পৰা ৰায়চৌধুৰীয়ে মাছ এটা কিনাৰ কতাৰে আৰম্ভ হোৱা গল্পটো পঢ়ি পাঠকে প্ৰথমতে ভাবিব যে এইটো মাছ কিনা-বেচা কৰা বিষয়ক গল্পই হ'ব। কিন্তু পঢ়ি গৈ থাকিলে পাঠকৰ ধাৰণাও সলনি হৈ গৈ থাকিব। গল্পটোত নাৰীৰ মনোজগতৰ সন্ধেদ পোৱা যায়। একাদশ অধ্যায় 'ঢেঁকীৰ সৰগ'ত নিৰূপমা বৰগোহাঞিয়ে নাৰী জীৱনৰ এনে কিছুমান প্ৰসঙ্গ উত্থাপন কৰিছে যি দেখাত তেনেই স্বাভাৱিক, নিত্য-নৈমিত্তিক জীৱনৰ সাধাৰণ কথা। অথচ দকৈ গমি চালে এইটো উপলব্ধি হ'ব যে সেই সাধাৰণ যেন লগা প্ৰসঙ্গই নাৰী মনক গভীৰভাৱে প্ৰভাৱিত কৰে। দ্বাদশ অধ্যায়ত আধুনিক অসমীয়া সাহিত্যৰ এগৰাকী কৃতবিদ্য কথাকাৰ শীলভদ্ৰৰ 'সংগ্ৰাম' গল্পৰ আলোচনা আগবঢ়োৱা হৈছে। ইয়াত নায়ক চৰিত্ৰটোৰ মাজেদি অধ্যৱসায়তা আৰু দৃঢ়তাই কি দৰে এগৰাকী সাধাৰণ ব্যক্তিক জীৱনত দোপত দোপে উঠি যোৱাত সহায় কৰে তাৰ বিৱৰণ আছে। পিছে সমাজৰ একাংশ অভিজাত ব্যক্তিয়ে তেনে লোকক সন্মানৰ চকুৰে চাব নোখোজে। তেওঁলোকৰ 'হীন' পৰিচয় সিবিলাক ভব্য-গব্য লোকৰ মনত স্থায়ীভাৱে বৈ যায়। ফলত সাধাৰণ লোকজনে সফলতাৰ খট্‌খটীত বগাই গ'লেও তেওঁৰ পৰিচিত তথাকথিত অভিজাত লোকসকলে তেওঁৰ প্ৰতিভা আৰু যোগ্যতাৰ

স্বীকৃতি দিব নোখোজে। ত্রয়োদশ অধ্যায়ত সৌৰভ কুমাৰ চলিহাৰ গল্প 'বীণা কুটিৰ'। এই গল্পটোত মনোজ্ঞ ৰূপত উপস্থাপিত হৈছে। কথক গৰাকীৰ মানসপটত ফুটি উঠা বীণা কুটিৰৰ চৰিত্রসমূহ আৰু তেওঁলোকৰ কার্যকলাপ আৰু কথাৰ মাজেদি গল্পটো পৰিণতিৰ ফালে অগ্রসৰ হৈছে। চতুর্দশ তথা অন্তিম অধ্যায়ৰ গল্পটো হৰেকৃষ্ণ ডেকাৰ 'শ্ব'ৰেঙ্গাৰ'। শিক্ষার্থীয়ে ইয়াত সাম্প্রতিক সময়ত অসমীয়া গল্প-সাহিত্যই কেনে গতি-প্রকৃতি লাভ কৰিছে তাৰ আভাস এই বিশেষ গল্পটোৰ মাজেদি লাভ কৰিব।

এই পাঠ্যবিষয়খন অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাঁওফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অর্থ সন্নিৰিষ্ট হৈছে। সেইদৰে— 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। প্রতিটো অধ্যায়ত থকা 'চিন্তা-চর্চা কৰক'সমূহে অধ্যয়ন অধিক সক্রিয় আৰু ফলপ্রসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্রগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহৰ ৰূপৰেখা 'অগ্রগতিৰ খতিয়ান'ত সন্নিৰিষ্ট কৰা হৈছে। তাৰ সহায়েৰে আপুনি প্রশ্নবোৰৰ উত্তৰসমূহ লিখিবলৈ যত্ন কৰিলে অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথি স্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্রশ্ন' হিচাপে কেইটিমান প্রশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্রসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্রস্তুত কৰা হৈছে। আপুনি বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন অধ্যয়ন কৰিব পাৰিব।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ **জোনাকী যুগৰ চুটিগল্পৰ ধাৰা** ৭-২৭

অসমীয়া চুটিগল্পৰ আৰম্ভণি; অসমীয়া চুটিগল্প আৰু জোনাকী যুগ; জোনাকী যুগৰ চুটিগল্পৰ ধাৰা ঃ বেজবৰুৱা আৰু অসমীয়া চুটিগল্প, শৰৎ চন্দ্ৰ গোস্বামীৰ চুটিগল্প, অন্যান্য গল্পকাৰৰ চুটিগল্প

অধ্যায় ২ ঃ **আৱাহন যুগৰ চুটিগল্পৰ ধাৰা** ২৮-৪০

আৱাহন যুগৰ পটভূমি আৰু অসমীয়া চুটিগল্প; আৱাহন যুগৰ চুটিগল্প; আৱাহন যুগৰ চুটিগল্পৰ ধাৰা ঃ উদাৰনৈতিক মানৱতাবাদী দৃষ্টিভঙ্গী, সমাজ চেতনা আৰু দায়বদ্ধতা, নাৰী মুক্তি তথা নাৰীৰ সামাজিক অৱস্থা সম্পৰ্কে সচেতনতা, সামাজিক অসমতা আৰু কুসংস্কাৰৰ প্ৰতি দৃষ্টিভঙ্গী, ভাৰতৰ স্বাধীনতা আন্দোলন আৰু জাতীয় চেতনাৰ প্ৰকাশ, ৰোমাণ্টিক ভাব-আদৰ্শৰ বহল প্ৰতিফলন, প্ৰগতিশীল চিন্তা, পশ্চিমীয়া আদৰ্শ আৰু দৰ্শনৰ প্ৰভাৱ

অধ্যায় ৩ ঃ **ৰামধেনু যুগৰ চুটিগল্পৰ ধাৰা** ৪১-৫৮

ৰামধেনু যুগৰ পটভূমি আৰু অসমীয়া চুটিগল্প; ৰামধেনু যুগৰ চুটিগল্প; ৰামধেনু যুগৰ চুটিগল্পৰ ধাৰা ঃ সামাজিক চেতনা আৰু দায়বদ্ধতা, ঐতিহ্য প্ৰীতি আৰু প্ৰাচীন পৰম্পৰাৰ নামত শোষণ, ৰোমাণ্টিকতাৰ বিপৰীতে মানৱীয় চেতনা বা মনঃস্তত্ত্বৰ প্ৰয়োগ, ৰামধেনুৰ চুটিগল্পত পাশ্চাত্য মত-আদৰ্শৰ প্ৰয়োগ, ৰামধেনুৰ চুটিগল্পত ব্যঙ্গৰ প্ৰয়োগ, ৰামধেনুৰ চুটিগল্পত প্ৰগতিবাদী চিন্তাৰ প্ৰকাশ

অধ্যায় ৪ ঃ **উত্তৰ ৰামধেনু যুগৰ চুটিগল্পৰ ধাৰা** 59–72

উত্তৰ ৰামধেনু যুগৰ পটভূমি আৰু অসমীয়া চুটিগল্প; উত্তৰ ৰামধেনু যুগৰ চুটিগল্প; উত্তৰ ৰামধেনু যুগৰ চুটিগল্পৰ ধাৰা ঃ সমাজবাদী চিন্তা বা মাৰ্ক্সীয় চেতনাৰ প্ৰয়োগ, মনোঃবিশ্লেষণ বা চেতনাস্ৰোত পদ্ধতিৰ প্ৰকাশ, ঐতিহ্য-সংস্কৃতি ৰক্ষাৰ প্ৰৱণতা, এবছাৰ্ড দৰ্শনৰ প্ৰয়োগ

অধ্যায় ৫ ঃ **লক্ষ্মীনাথ বেজবৰুৱা ঃ 'মুক্তি'** ৭৩-৮৭

লক্ষ্মীনাথ বেজবৰুৱা ঃ জীৱন আৰু কৃতি ঃ লক্ষ্মীনাথ বেজবৰুৱাৰ গল্পৰ প্ৰধান বৈশিষ্ট্যসমূহ; 'মুক্তি' ঃ গল্পটোৰ সাধাৰণ আলোচনা, গল্পটোৰ কাহিনীভাগ, গল্পটোৰ চৰিত্ৰসমূহ, গল্পটোৰ বিশেষত্ব

অধ্যায় ৬ ঃ **শৰৎ চন্দ্ৰ গোস্বামী ঃ 'ঘুনুচা'** ৮৮-১১০

শৰৎ চন্দ্ৰ গোস্বামী ঃ জীৱন আৰু কৃতি ঃ শৰৎ চন্দ্ৰ গোস্বামীৰ গল্পৰ প্ৰধান বৈশিষ্ট্যসমূহ; 'ঘুনুচা' ঃ গল্পটোৰ মূল পাঠ, গল্পটোৰ কাহিনীভাগ, গল্পটোৰ চৰিত্ৰসমূহ, গল্পটোৰ সাধাৰণ আলোচনা, চুটিগল্প হিচাপে ঘুনুচা

অধ্যায় ৭ ঃ **নগেন্দ্ৰ নাৰায়ণ চৌধুৰী ঃ 'টুনী'** ১১১-১২৭

নগেন্দ্ৰ নাৰায়ণ চৌধুৰী ঃ জীৱন আৰু কৃতি ঃ নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ গল্পৰ প্ৰধান বৈশিষ্ট্যসমূহ;

'টুনী' ঃ গল্পটোৰ সাধাৰণ আলোচনা, গল্পটোৰ কাহিনীভাগ, গল্পটোৰ চৰিত্রসমূহ, গল্পটোৰ বিশেষত্ব

অধ্যায় ৮ ঃ লক্ষ্মীনাথ ফুকন ঃ 'মহিমাময়ী' ১২৮-১৪৩

লক্ষ্মীনাথ ফুকন ঃ জীৱন আৰু কৃতি ঃ লক্ষ্মীনাথ ফুকনৰ গল্পৰ প্রধান বৈশিষ্ট্যসমূহ; 'মহিমাময়ী' ঃ গল্পটোৰ কাহিনীভাগ, গল্পটোৰ চৰিত্রসমূহ, গল্পটোৰ সাধাৰণ আলোচনা, গল্পটোৰ বিশেষত্ব

অধ্যায় ৯ ঃ ৰমা দাশ ঃ 'অবুজ মায়া' ১৪৪-১৬৮

ৰমা দাশ ঃ জীৱন আৰু কৃতি ঃ ৰমা দাশৰ গল্পৰ প্রধান বৈশিষ্ট্যসমূহ; 'অবুজ মায়া' ঃ গল্পটোৰ মূল পাঠ, গল্পটোৰ চৰিত্রসমূহ, গল্পটোৰ সাধাৰণ আলোচনা, চুটিগল্প হিচাপে 'অবুজ মায়া'

অধ্যায় ১০ ঃ ভবেন্দ্রনাথ শইকীয়া ঃ 'সেন্দূৰ' ১৬৯-১৮৩

ভবেন্দ্রনাথ শইকীয়া ঃ জীৱন আৰু কৃতি ঃ ভবেন্দ্রনাথ শইকীয়াৰ গল্পৰ প্রধান বৈশিষ্ট্যসমূহ; 'সেন্দূৰ' ঃ গল্পটোৰ সাধাৰণ আলোচনা, গল্পটোৰ কাহিনীভাগ, গল্পটোত প্রতিভাত হোৱা চৰিত্রসমূহ, গল্পটোৰ বিশেষত্ব

অধ্যায় ১১ ঃ নিৰুপমা বৰগোহাঞি ঃ 'ঢেঁকীৰ সৰগ' ১৮৪-১৯৭

নিৰুপমা বৰগোহাঞি ঃ জীৱন আৰু কৃতি ঃ নিৰুপমা বৰগোহাঞিৰ গল্পৰ প্রধান বৈশিষ্ট্যসমূহ; 'ঢেঁকীৰ সৰগ' ঃগল্পটোৰ সাধাৰণ আলোচনা, গল্পটোৰ কাহিনীভাগ, গল্পটোৰ চৰিত্র চিত্রণ, গল্পটোৰ বিশেষত্ব

অধ্যায় ১২ ঃ শীলভদ্র ঃ 'সংগ্রাম' ১৯৮-২১৫

শীলভদ্র ঃ জীৱন আৰু কৃতি ঃ শীলভদ্রৰ গল্পৰ প্রধান বৈশিষ্ট্যসমূহ; 'সংগ্রাম' ঃ গল্পটোৰ সাধাৰণ আলোচনা, গল্পটোৰ কাহিনীভাগ, গল্পটোৰ চৰিত্রসমূহ, গল্পটোৰ বিশেষত্ব

অধ্যায় ১৩ ঃ সৌৰভ কুমাৰ চলিহা ঃ 'বীণা-কুটিৰ' ২১৬-২৩৩

সৌৰভ কুমাৰ চলিহা ঃ জীৱন আৰু কৃতি ঃ সৌৰভ কুমাৰ চলিহাৰ গল্পৰ প্রধান বৈশিষ্ট্যসমূহ; 'বীণা-কুটিৰ' ঃ গল্পটোৰ সাধাৰণ আলোচনা, গল্পটোৰ কাহিনীভাগ, গল্পটোৰ চৰিত্র চিত্রণ, গল্প কওঁতাৰ মনৰ সম্ভেদ, গল্পটোৰ বিশেষত্ব

অধ্যায় ১৪ ঃ হৰেকৃষ্ণ ডেকা ঃ 'শ্ব'ৰেঙ্গাৰ' ২৩৪-২৪৫

হৰেকৃষ্ণ ডেকা ঃ জীৱন আৰু কৃতি ঃ হৰেকৃষ্ণ ডেকাৰ গল্পৰ প্রধান বৈশিষ্ট্যসমূহ; 'শ্ব'ৰেঙ্গাৰ' ঃ গল্পটোৰ কাহিনীভাগ, গল্পটোৰ চৰিত্রসমূহ, গল্পটোৰ সাধাৰণ আলোচনা, গল্পটোৰ বিশেষত্ব

পৰিশিষ্ট (অধ্যায় ৫) ২৪৬-২৪৮

পৰিশিষ্ট (অধ্যায় ৭) ২৪৯-২৫৪

পৰিশিষ্ট (অধ্যায় ৮) ২৫৫-২৬২

পৰিশিষ্ট (অধ্যায় ১২) ২৬৩-২৭০

পৰিশিষ্ট (অধ্যায় ১৪) ২৭১-২৭৭

প্রসঙ্গ পুথি ২৭৮-২৮০